অধ্যায় ১১ ঃ নিৰুপমা বৰগোহাঞি ঃ 'ঢেঁকীৰ সৰগ'

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ নিৰুপমা বৰগোহাঞি ঃ জীৱন আৰু কৃতি
    ১১.৩.১ নিৰুপমা বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ
১১.৪ 'ঢেঁকীৰ সৰগ'
    ১১.৪.১ গল্পটোৰ সাধাৰণ আলোচনা
    ১১.৪.২ গল্পটোৰ কাহিনীভাগ
    ১১.৪.৩ গল্পটোৰ চৰিত্ৰ চিত্ৰণ
    ১১.৪.৪ গল্পটোৰ বিশেষত্ব
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গল্পকাৰ নিৰুপমা বৰগোহাঞিৰ পৰিচয় লাভ কৰিব
- তেওঁৰ সাহিত্য কৃতিসমূহৰ সৈতে পৰিচিত হ'ব
- নিৰুপমা বৰগোহাঞিৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিব পাৰিব
- 'ঢেঁকীৰ সৰগ' গল্পটোৰ চৰিত্ৰসমূহৰ বিষয়ে বিচাৰ-বিশ্লেষণ দাঙি ধৰিব পাৰিব
- গল্পটোত নিৰুপমা বৰগোহাঞিৰ চুটিগল্পৰ বৈশিষ্ট্য কিদৰে পৰিস্ফুট হৈছে, সেই বিষয়ে আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ সাণ্মাসিকৰ প্ৰথম বুনিয়াদী পাঠ্যবিষয় 'অসমীয়া চুটিগল্প'ৰ অন্তৰ্গত এইটো একাদশ অধ্যায়। ইয়াত ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ নিৰুপমা বৰগোহাঞিৰ 'ঢেঁকীৰ সৰগ' গল্পটোৰ আলোচনা আগবঢ়োৱা হৈছে। এই আলোচনাৰ যোগেদি আপুনি গল্পকাৰ নিৰুপমা বৰগোহাঞিৰ গল্পৰ বৈশিষ্ট্যসমূহৰ লগত পৰিচিত হ'ব পাৰিব। গল্পটোত বৰ বিশেষ পঢ়া-শুনা নথকা ঘৰৰ কাম-কাজত অতি নিপুণ স্মৃতিৰ মৰ্ম ব্যথা প্ৰকাশ পাইছে। তাই পিতৃগৃহত পোৱা কাম-কাজৰ বোজা পতিগৃহলৈ গৈ আঁতৰিব বুলি ভাবিছিল। কিন্তু সেয়া তাইৰ ভুল ধাৰণা

আছিল। ঢেঁকীৰ দৰে তায়ো স্বৰ্গসদৃশ পতিগৃহলৈ গৈ ধান বনা অর্থাৎ পূর্বতকৈ অধিক কামৰ বোজা মূৰ পাতি ল'ব লগাত পৰিল। উক্ত কথাখিনিকে গল্পকাৰে অধিক মনোগ্রাহী ৰূপত গল্পটোৰ জৰিয়তে উপস্থাপন কৰিছে।

১১.৩ নিৰুপমা বৰগোহাঞি ঃ জীৱন আৰু কৃতি

নিৰুপমা বৰগোহাঞি এগৰাকী গল্পকাৰ, ঔপন্যাসিক, নিবন্ধকাৰ তথা সাংবাদিক ৰূপে অসমীয়া সাহিত্য জগতত পৰিচিত। এইগৰাকী লেখিকাৰ জন্ম 1932 চনত গুৱাহাটীত। *ৰামধেনুত* আত্মপ্রকাশ কৰি জনপ্রিয়তা অর্জন কৰা নিৰুপমা বৰগোহাঞিয়ে জীৱনৰ সৰু সৰু সাধাৰণ ঘটনাবোৰ লৈ গল্প ৰচনা কৰে। তেওঁৰ ৰচিত সেই গল্পবোৰক সহজ-সৰল প্রকাশভঙ্গীৰে আৰু সজীৱ বর্ণনাৰ জৰিয়তে আকর্ষণীয় কৰি তোলে। তেওঁৰ পিতাক যাদৱ তামুলী এগৰাকী আয়কৰ বিভাগৰ বৰ কেৰাণী আৰু মাক কাচেশ্বৰী তামুলী ঘৰৰ গৃহিণী আছিল। দুয়োগৰাকী গাঁৱৰ অতি সাধাৰণ লোক আছিল। চাকৰিসূত্রে তেওঁলোক গুৱাহাটীত নিগাজীকৈ বসবাস কৰিছিল।

নিৰুপমা বৰগোহাঞিয়ে শিক্ষা জীৱনৰ আৰম্ভণি কৰিছিল গুৱাহাটীৰ উজান বজাৰ বালিকা এম.ই. (মিডল ইংলিছ) বিদ্যালয়ত। গুৱাহাটীৰে তাৰিণী চৌধুৰী বালিকা বিদ্যালয়ৰ পৰা মেট্রিক পৰীক্ষাত প্রথম বিভাগত উত্তীর্ণ হয়। ইয়াৰ পিছত ডিব্রুগড় মহাবিদ্যালয়ত ককায়েকৰ কথামতে কলা শাখাত আই.এ. শ্রেণীত নামভর্তি কৰে। ডিব্রুগড় মহাবিদ্যালয়ত ভাল ফলাফল লাভ কৰাৰ পিছতো তেওঁৰ কটন মহাবিদ্যালয়ত বিজ্ঞান শাখাত পঢ়াৰ মন থকাৰ বাবে দেউতাকে আই.এছ.চি. পঢ়িবলৈ গুৱাহাটীলৈ পঠাই দিয়ে।

1952 চনত কটন কলেজৰ পৰা বি.এ. পাছ কৰি ইংৰাজী অনার্ছ নথকাতো ককায়েকৰ ইচ্ছাৰ বাবেই কলিকতা বিশ্ববিদ্যালয়ত ইংৰাজীত এম.এ. পঢ়িবলৈ যায়। তেওঁ ইংৰাজীত স্নাতকোত্তৰ উপাধি লাভ কৰাৰ উপৰিও 1965 চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত এম.এ. ডিগ্রী লাভ কৰে।

1958 চনৰ ফাগুন মাহ, 12 মার্চত তেওঁ হোমেন বৰগোহাঞিৰ লগত বিবাহ পাশত আৱদ্ধ হয়। চাকৰি সংক্রান্তত হোমেন বৰগোহাঞিয়ে অসমৰ বিভিন্ন ঠাইলৈ বদলি হৈ যাব লগাত পৰিছিল। সেয়ে নিৰুপমা বৰগোহাঞিয়ে নলবাৰী, গোৱালপাৰা, উত্তৰ লক্ষিমপুৰ আদি মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ সুযোগ লাভ কৰিছিল। নলবাৰী মহাবিদ্যালয়ত তেওঁ অসমীয়া, বাংলা আৰু ইংৰাজী ভাষাত শিক্ষাদান কৰিছিল।

শিক্ষকতাৰে কর্মজীৱনৰ আৰম্ভণি কৰি পৰৱর্তী সময়ত সাহিত্য সৃষ্টিকে জীৱনৰ ব্রত হিচাপে লয়। সাংবাদিক হিচাপেও তেওঁৰ অৱদান উল্লেখযোগ্য। 1968 চনত তেওঁ *সাপ্তাহিক নীলাচল* কাকতত ছাব এডিটৰ হিচাপে কার্যনির্বাহ কৰিছিল। তেওঁ *সাপ্তাহিক নীলাচল* কাকতত বহু বছৰ চাকৰি কৰিছিল। 'অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া জয়ন্তী সমিতি'য়ে তেওঁক 1996 চনত সম্বর্ধনা জ্ঞাপন কৰে। তেওঁ *সাপ্তাহিক জনজীৱন, সাপ্তাহিক সাঁচিপাত, চিত্রাঙ্গদা* নামৰ

পষেকীয়া আলোচনী আদিতো কাম কৰিছিল। তেওঁ গল্প, উপন্যাস, প্ৰবন্ধ আদি লিখিও অসমীয়া সাহিত্যৰ ভঁৰাল টনকীয়াল কৰে।

তেওঁ *অন্য জীৱন* উপন্যাসখনৰ বাবে ক্ৰমে 1987 চনত আৰু 1988 চনত বাঙ্গালোৰৰ 'শাশ্বতী অনুষ্ঠানৰ দহ হেজাৰ টকীয়া নাঞ্জানগুড় মিৰুমালাম্ব পুৰস্কাৰ' আৰু অসম সাহিত্য সভাৰ এহেজাৰ টকীয়া 'বাসন্তী দেৱী বৰদলৈ' আৰু 1995 চনত সাহিত্য সভাৰে 'হেম বৰুৱা' পুৰস্কাৰ লাভ কৰে। তেওঁৰ জীৱনত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ লক্ষ্যণীয়। আকৌ *অভিযাত্ৰী* উপন্যাসখনৰ বাবে তেওঁ 1996 চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে।

নিৰুপমা বৰগোহাঞিৰ ৰচনাৰাজিক তলত দিয়া ধৰণে উল্লেখ কৰা হ'ল—

- **গল্প সঙ্কলন ঃ** *অনেক আকাশ* [1961], *জলছবি* [1966], *শূন্যতাৰ কাব্য* [1969], *ইপাৰ সিপাৰ* [1976], *জননীৰ সন্ধানত এজন ডেকা* [1981], *খিৰিকী কাষৰ গছ* [1986], *নিৰ্বাচিত গল্প সঙ্কলন* [1996], *প্ৰেমৰ বাবে স্বপ্নৰ বাবে* [1998], *আকাশলৈ দূৰ নহয়* [1998] আদি।
- **উপন্যাস ঃ** *সেই নদী নিৰবধি* [1962], *অন্তঃস্ৰোতা* [1965], *এজন বুঢ়া মানুহ* [1966], *দিনৰ পিছত দিন* [1968], *কেকটাছৰ ফুল* [1972], *ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ* [1979], *দিন-প্ৰতিদিন* [1982], *অন্য জীৱন* [1987], *চম্পাৱতী* [1990] আদি উল্লেখযোগ্য।
- **জীৱনভিত্তিক উপন্যাস ঃ** *অভিযাত্ৰী* [1993], *অগ্ৰগামিনী* [2009]¼
- **আত্মজীৱনী ঃ** *বিশ্বাস আৰু সংশয়ৰ মাজেদি* [1993]¼
- **ৰচনা সঙ্কলন ঃ** *নানাৰঙী, জীৱনৰ হাটে-বাটে* আদি।

তেওঁৰ *অভিযাত্ৰী* উপন্যাসখন চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ ভিত্তিত আৰু *অগ্ৰগামিনী* ইন্দিৰা মিৰিৰ জীৱনৰ ভিত্তিত ৰচনা কৰা জীৱনীমূলক উপন্যাস।

কিছুদিন শিক্ষকতাৰে কৰ্ম জীৱনত প্ৰৱেশ কৰি শেষত সাৰ্থকতাৰে গল্প-উপন্যাস ৰচনাৰ লগতে সংবাদসেৱাকো জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰে। গুৱাহাটীৰ খাৰঘুলীস্থিত পাৰৰ বাসগৃহত বৰ্তমানো তেওঁৰ সৃষ্টিমুখী কলম অবিৰতভাৱে চলি আছে।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ নিৰুপমা বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ চমু আভাস আগবঢ়াওক। (150টা শব্দৰ ভিতৰত)

১১.৩.১ নিৰুপমা বৰগোহাঞিৰ গল্পৰ বৈশিষ্ট্যসমূহ

অসমীয়া সাহিত্যত আন সাহিত্যৰ দৰে চুটিগল্পৰ সৃষ্টিও আধুনিক যুগৰ। চুটিগল্প ঊনবিংশ শতাব্দীৰ এক অভিনৱ সৃষ্টি। ৰামধেনু যুগতে নিৰুপমা বৰগোহাঞি গল্পকাৰ হিচাপে প্ৰতিষ্ঠিত হয়। তেওঁৰ গল্পত মধ্যবিত্ত নাৰীৰ মৰ্মবেদনা সঠিক ৰূপত উপস্থাপন

হৈছে 'ঢেঁকীৰ সৰগ'। 'পেহীদেউ', 'ভ্ৰষ্টলগ্ন' আদি গল্প এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। এনেবোৰ গল্পত তেওঁৰ নাৰী মনৰ স্পষ্ট আৰু মুক্ত প্ৰকাশ ঘটোৱা দেখিবলৈ পোৱা যায়। নাৰী জীৱনৰ দুখ-দুৰ্দশা, তাৰ প্ৰতিবাদ আৰু তাৰ পৰা পৰিত্ৰাণৰ পথ-প্ৰদৰ্শন নিৰুপমা বৰগোহাঞিৰ গল্পৰ অন্যতম বৈশিষ্ট্য।

তেওঁ আৰ্থিক আৰু মানসিকভাৱে ভাৰাক্ৰান্ত নৰ-নাৰীৰ চৰিত্ৰ ৰূপায়ণত বিশেষ দক্ষতা প্ৰদৰ্শন কৰে। মানুহৰ জীৱনৰ সৰু ঘটনাৰ মাজতো তেওঁ বৈচিত্ৰ্যৰ সন্ধান কৰে। এই প্ৰসঙ্গত ত্ৰৈলোক্য নাথ গোস্বামীৰ এযাৰ কথা উল্লেখ কৰিব পাৰি— "তদুপৰি জীৱনৰ কিছুমান সাধাৰণ ঘটনাৰ মাজতে বিশিষ্টতা বিচৰাৰ প্ৰয়াস নিৰুপমা বৰগোহাঞিৰ কেইটামান গল্পত চকুত পৰে।" গোস্বামীয়ে *আধুনিক গল্প সাহিত্যত* উক্ত কথাযাৰ ব্যক্ত কৰে।

বৰগোহাঞিৰ গল্পত তেওঁৰ বক্তব্য স্পষ্ট ৰূপত প্ৰকাশ পোৱাটো পৰিলক্ষিত হয়। আদৰ্শবাদৰ বক্তব্য অধিক স্পষ্ট হোৱাৰ ফলত তেওঁৰ গল্পই শিল্প-সৌন্দৰ্য হেৰুৱাই পেলায় আৰু গল্প প্ৰচাৰধৰ্মী হৈ পৰা দেখা যায়।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাৰ অংশ তেওঁৰ ভালেমান গল্পত উল্লেখ থকা দেখা যায়। ইংৰাজী কবি আৰু কবিতাৰ পংক্তিও তেওঁৰ গল্পত পোৱা যায়।

তেওঁৰ ৰচনা-ৰীতি সৰল, প্ৰকাশভঙ্গীও মৰ্মস্পৰ্শী। সহজ বাক্য গাঁথনিৰ জৰিয়তে তেওঁ গল্পৰ বিষয়বস্তু আগবঢ়াই নিয়ে। বিষয়বস্তুৰ একময়তা আৰু ফলশ্ৰুতিৰ একমুখিতা ৰক্ষাৰ ক্ষেত্ৰত নিৰুপমা বৰগোহাঞি সদায় যত্নপৰ।

সমাজৰ শ্ৰেণী বৈষম্যৰ প্ৰতি তেওঁ সদাসচেতন আৰু সেই ভাৱধাৰা তেওঁৰ গল্পৰ জৰিয়তে প্ৰকাশ পাইছে। এক সামাজিক প্ৰতিবাদৰ সুৰ তেওঁৰ ৰচনাৰ মূল চালিকা শক্তি।

নিৰুপমা বৰগোহাঞিৰ কোনো কোনো গল্পত আধুনিক নাৰীৰ মানসিকতাৰ দ্বন্দ্ব প্ৰতিফলিত হৈছে। এই ক্ষেত্ৰত 'অপমৃত্যু' গল্পটো এটা উৎকৃষ্ট নিদৰ্শন। গল্পটোৰ নায়িকা নিৰ্মালি প্ৰবল প্ৰতিভাসম্পন্ন হোৱা সত্ত্বেও নিজৰ নিজৰ অমততে নিচেই সাধাৰণ মানুহ এজনৰ পত্নী হৈ চৰম হতাশা, ব্যৰ্থতা আৰু অভাৱেৰে ভৰা এখন সংসাৰ চলাবলৈ বাধ্য হৈছে।

নিৰুপমা বৰগোহাঞিৰ কাৰিকৰী কৌশল সম্পৰ্কে প্ৰহ্লাদ বৰুৱাই এনেদৰে কৈছে— "নিৰুপমা বৰগোহাঞিৰ গল্পৰ সৌন্দৰ্য নিৰ্ণীত হৈছে গল্পৰ কাৰিকৰী কৌশলৰ বাবে। বিষয়বস্তুৰ একময়তা আৰু পৰিণতিমুখী ঐক্য ৰক্ষাৰ দিশত নিৰুপমা বৰগোহাঞি অতি সচেতন লেখিকা। বৰগোহাঞিৰ গল্প গাঁথনিও যথেষ্ট আটিল আৰু বৰ্ণনাৰ সংযমে গল্পৰ ভাবৰ ঐক্য আৰু ফলশ্ৰুতিৰ ঐক্য ৰক্ষা কৰাত সহায় কৰিছে। এনে কাৰণতে নিৰুপমা বৰগোহাঞিৰ চুটিগল্পৰ জনপ্ৰিয়তা ইমান বেছি।"

তেওঁৰ 'ঢেঁকীৰ সৰগ', 'পেহীদেউ', 'ভ্ৰষ্টলগ্ন' আদি গল্পত নাৰী জীৱনৰ ব্যথা

অতি সুন্দৰকৈ ফুটি উঠে। এনেবোৰ গল্পত নাৰীসকলৰ দুখ-দুৰ্দশাৰ বৰ্ণনা থকাৰ উপৰিও তাৰ পৰা পৰিত্ৰাণৰ পথ-প্ৰদৰ্শনো মন কৰিবলগীয়া।

হোমেন বৰগোহাঞিয়ে তেওঁৰ গল্পৰ সমালোচনা কৰি কৈছে— "নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰী মানসৰ আন এটা ৰূপ আমি দেখিবলৈ পাওঁ। এইবোৰ গল্প আধুনিক শিক্ষিতা তিৰোতাৰ মুক্ত ব্যক্তিমানসৰ অসঙ্কোচ প্ৰকাশ। তিৰোতাৰ সামাজিক দৃষ্টিভঙ্গীৰ বিৱৰ্তন বিচাৰত এইবোৰ গল্পই প্ৰচুৰ আলোকপাত কৰে। প্ৰগতিশীল সমাজ চেতনা আৰু শিক্ষাৰ জৰিয়তে তিৰোতাই যি নতুন ব্যক্তিত্ব লাভ কৰিছে তাক জীৱনৰ সৰ্ব ক্ষেত্ৰত প্ৰতিষ্ঠিত কৰাৰ আকাংক্ষা আৰু সেই আকাংক্ষাৰ লগত প্ৰচলিত ব্যৱস্থাৰ বিৰোধৰ ছবি ফুটি উঠিছে তেওঁৰ 'ঢেঁকীৰ সৰগ' গল্পত। সামাজিক জীৱনত তিৰোতাৰ ক্ৰমবৰ্দ্ধমান অংশগ্ৰহণ আৰু তাৰ ফলত সৃষ্টি হোৱা তিৰোতাৰ মানস চেতনাত সংঘটিত হোৱা বিৱৰ্তনৰ আন এটা উদাহৰণ হ'ল তেওঁৰ 'প্ৰতিবিম্ব' গল্পটি। তেওঁৰ নাৰী চৰিত্ৰবোৰৰ বিশেষত্ব এই যে তেওঁলোকৰ ব্যক্তিত্ব আৰোপিত নহয়; সমাজ চেতনা আৰু সমসাময়িক জীৱনৰ লগত সক্ৰিয় সংঘাত আৰু সহযোগিতাৰ দ্বাৰা সি স্বপাৰ্জিত।"



অগ্ৰগতি নিৰীক্ষণ

২ নং প্ৰশ্ন ঃ নিৰুপমা বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি ? —আলোচনা কৰক। (150 টা শব্দৰ ভিতৰত)

১১.৪ 'ঢেঁকীৰ সৰগ'

ঢেঁকীৰ সৰগ নিৰুপমা বৰগোহাঞিৰ এটা উন্নতমানৰ গল্প। গভীৰ জীৱনবোধ আৰু উচ্চতৰ জীৱনৰ প্ৰতি নাৰীৰ যি সহজাত প্ৰবৃত্তি অথবা স্পৃহা তেওঁৰ ঢেঁকীৰ সৰগ গল্পটিৰ অন্যতম বৈশিষ্ট্য। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ স্মৃতি। সামান্য পঢ়া-শুনা কৰা ঘৰত কাম-কাজত অতি নিপুণ স্মৃতিৰ মৰ্মব্যথা এই গল্পটিত প্ৰকাশ পাইছে।

১১.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

ৰামধেনু যুগৰ অন্যতম শ্ৰেষ্ঠ গল্পকাৰ নাৰীবাদী চিন্তাৰে ভাৰাক্ৰান্ত নিৰুপমা বৰগোহাঞি ৰচিত 'ঢেঁকীৰ সৰগ' গল্পটিৰ উপস্থাপন পোনপটীয়া। গল্পটিৰ ৰচনা-ৰীতি সহজ-সৰল আৰু প্ৰকাশভঙ্গী মৰ্মস্পৰ্শী। এই গল্পটিৰ কাহিনীয়ে চিঠিৰ জৰিয়তে আত্মপ্ৰকাশ কৰে। লক্ষ্যৰ একমুখিতাই সুসংহত আৰু নিটোল ৰূপ প্ৰদান কৰাৰ লগতে ক'তো বৰ্ণনা বাহুল্য দেখা নাযায়। নাৰী জীৱনৰ ব্যথাভৰা এখন চিত্ৰ 'ঢেঁকীৰ সৰগ' গল্পটোৰে যথাৰ্থভাৱে প্ৰতিফলন কৰিছে। গল্পটোৰ প্ৰধান চৰিত্ৰ স্মৃতি। কেন্দ্ৰীয় চৰিত্ৰৰ উপৰিও গল্পটিত থকা প্ৰতিটো চৰিত্ৰ চিত্ৰণত বৰগোহাঞিৰ সুদক্ষ হাতৰ পৰশ স্পষ্ট। এই গল্পটিৰ জৰিয়তে তেওঁ এগৰাকী তিৰোতাৰ মনত শিক্ষাৰ প্ৰতি উদয় হোৱা আকাংক্ষা

প্ৰতিফলিত হয়। স্মৃতি চৰিত্ৰটোৰ জৰিয়তে শিক্ষিতা নাৰীৰ মনঃস্তত্ত্ব অতি সফলতাৰে পোহৰলৈ আনিছে।

গল্পটিয়ে নাৰীৰ সামাজিক দৃষ্টিভঙ্গীৰ বিৱৰ্তন বিচাৰত প্ৰচুৰ আলোকপাত কৰে। ইয়াৰ ভাষানীতি সৰল আৰু আবেদনক্ষম। গল্পটিত বিষয়বস্তুৰ একময়তা আৰু পৰিণতিমুখী ঐক্য লক্ষণীয়। গল্পটোৰ বিন্যাস প্ৰণালীৰ দিশৰ পৰাও 'ঢেঁকীৰ সৰগ' গল্পকাৰৰ সার্থক নির্মিতি বুলি নিঃসন্দেহে ক'ব পাৰি।

নাৰীৰ দৈনন্দিন জীৱনৰ সাংসাৰিক সমস্যাৰ বর্ণনা তেওঁৰ গল্পত পোৱা যায়। তেওঁৰ 'অযোগ্যতা গল্পটো এই শ্ৰেণীৰ গল্পৰ উৎকৃষ্ট নিদর্শন।

নিৰুপমা বৰগোহাঞিৰ ৰচনাৰ বিষয়বস্তু নাৰীকেন্দ্ৰিক আৰু নাৰীমুক্তি প্ৰয়াসী যদিও এই নাৰীবাদ বহল মানৱতাবোধৰ মাজত একাকাৰ হৈ পৰা দেখা যায়। প্ৰকৃততে মানৱতাবাদৰ ঘোষণাহে তেওঁৰ গল্পৰ এক বৈশিষ্ট্য বুলি ক'ব পাৰি।

এইগৰাকী মানৱতাবাদী লেখিকাই সমাজৰ দুর্বল, অৱহেলিত শ্ৰেণীটোৰ প্ৰতিনিধি হিচাপে নাৰীক লৈ বিভিন্ন গল্প ৰচনা কৰিছে। তেওঁৰ নাৰীবাদ পুৰুষবিদ্বেষী নহয়; পুৰুষক নাৰীমুক্তিৰ যুঁজত তেওঁ সহযাত্ৰী হিচাপে গণ্য কৰে।

১১.৪.২ গল্পটোৰ কাহিনীভাগ

নিৰুপমা বৰগোহাঞিৰ দ্বাৰা ৰচিত গল্পসমূহৰ ভিতৰত 'ঢেঁকীৰ সৰগ' শীর্ষক গল্পটো অন্যতম উল্লেখযোগ্য গল্প গল্পটোৰ কাহিনীভাগ এনে ধৰণৰ—

স্মৃতি এজনী সাধাৰণ পৰিয়ালৰ ছোৱালী। আঢ্যৱন্ত পৰিয়ালৰ বোৱাৰী আৰু শিক্ষিত লোকৰ পত্নী হৈয়ো স্মৃতি যে দাসী স্বৰূপা। তাই এবাৰ মেট্ৰিক ফেল কৰি দ্বিতীয়বাৰ বিভাগত পাছ কৰি তৃতীয়বাৰলৈ আই.এ. পৰীক্ষা দি অকৃতকার্য হৈ পঢ়া কার্যৰ সমাপ্তি কৰে। গল্পৰ আৰম্ভণিতে স্মৃতিয়ে তাইৰ হ'বলগা বিয়াখনক লৈ হেজাৰ সপোন দেখি আছিল। স্মৃতিৰ দুজন ককায়েক আৰু দুজনী ভনীয়েক। ককায়েক ক্ৰমে— প্ৰণৱ আৰু ৰাজীৱ, ভনীয়েক প্ৰীতি আৰু নীতি আটাইবোৰ পঢ়া-শুনাত ভাল। প্ৰণৱ প্ৰফেছৰ আৰু উকীল প্ৰীতিয়ে এবাৰো ফেল নকৰি স্নাতকোত্তৰ মহলাত পঢ়ি আছে আৰু নীতি সকলো পৰীক্ষাতে প্ৰথম বিভাগত উত্তীর্ণ হৈ বি.এ. পৰীক্ষা দিবলৈ প্ৰস্তুতি চলাইছে।

তেতিয়াৰে পৰা তাই বিয়াৰ আগলৈকে তিনিটা বছৰ ঘৰতে অহৰহ কাম কৰি সময় পাৰ কৰিছিল। ঘৰখনৰ সকলো নিজৰ ব্যক্তিগত কাম-কাজ লৈ ব্যস্ত তাইৰ কথা ভাবিবৰ কাৰো সময় নাই। গতিকে তাই ঘৰুৱা কাম-কাজ লৈয়ে ব্যস্ত হৈ থাকে। মাক ঢুকুওৱাৰ দিনৰ পৰাই তাইৰ কামৰ আদি-অন্ত নোহোৱা হৈ পৰিছিল। ডাঙৰ পুতেক প্ৰণৱৰ বিয়াৰ পিছত মাক ঢুকাল। দেউতাক আছে যদিও মানুহজন অসাংসাৰিক মনৰ। 'স্মৃতি অবিহনে ঘৰখন বিকল' কথাষাৰ বৌৱেককেইজনীয়ে ভালদৰে বুজিব পাৰিছিল

সেয়ে কেতিয়াবা ককায়েককহঁতে বিয়াৰ কথা ওলালেও সিহঁতে অলপো স্মৃতিৰ বিয়াৰ কথা নাভাবে। যিখন সংসাৰ তাইৰ নহয়। য'ত তাই অকণো অধিকাৰ দেখুৱাব নোৱাৰে আৰু যি ল'ৰা-ছোৱালী তাইৰ নহয় সিহঁতৰ আলপৈচান ধৰি ধৰি তাই মাজে মাজে অতিষ্ঠ হৈ পৰে। তায়ো প্ৰীতি-নীতিহঁতৰ দৰে জীৱন উপভোগ কৰিব বিচাৰে। কাম কৰি ভাল পালেও তাত তাইৰ আনন্দ মুঠেই নাই। তাইৰো পঢ়িব-শুনিবৰ মন।

এনেতে এদিন স্মৃতিলৈ এখন সম্ভ্ৰান্ত ঘৰৰ পৰা সম্পৰ্ক আহিল। তেওঁলোকে স্মৃতিক বোৱাৰী কৰি নিব।এইবাৰ তাইৰ দুখৰ অন্ত পৰিব বুলি আনন্দত মতলীয়া হ'ল। তাইৰ স্বামী অনিল কাকতি ধনী ঘৰৰ ল'ৰা হোৱাৰ লগতে এজন বিদ্বান পুৰুষ। এনে এখন ঘৰলৈ বোৱাৰী হৈ যোৱাৰ সপোন দেখি তাই বিভিন্ন কথা ভাবি পেলাইছে। বিয়াৰ কথা ভাবি তাইৰ মনলৈ তিনিটা কথা আহে। প্ৰথমতে তাইৰ তিনি বছৰীয়া কামৰ বোজাৰ পৰা মুক্ত হ'ব, দ্বিতীয়তে চহকী ঘৰৰ ল'ৰাৰ পত্নী হ'ব আৰু সকলোৰে খুব আদৰৰ পাত্ৰী হ'ব;তৃতীয়তে, ইমান বিদ্বান স্বামী পাই গৌৰৱ উপলব্ধি কৰিব পাৰিব।

বিদ্বান স্বামীয়ে তাইক আকৌ পঢ়াৰ সুযোগ দিব আৰু তেওঁ যদি শিকাই-বুজাই দিয়ে তাই যেন আই.এ. পাছ কৰিব এই কথাবোৰে তাইৰ মনলৈ আহিছিল। তাই একপ্ৰকাৰ স্বৰ্গলৈ গমন কৰিব যেন বোধ হ'ল।

নীতিৰ লগত স্মৃতিৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ। সেয়ে স্মৃতিয়ে নীতিক সুধিছিল অনিল কাকতিৰ নিচিনা বিদ্বান আৰু চহকী ল'ৰাই কিয় তাইক পছন্দ কৰিছে। নীতিয়ে তাইৰ উত্তৰটো অতি সুন্দৰকৈ তাইৰ এজনী বান্ধৱীৰ উদাহৰণ দি কৈছিলে যে অনিল কাকতিয়ে বায়েকক ৰূপলৈ চায় পছন্দ কৰিছে। বিভিন্ন ভাৱনা-চিন্তাৰ মাজত ব'হাগৰ একৈশ তাৰিখে তাইৰ বিয়া হৈ গ'ল।

নীতিয়ে পৰীক্ষা শেষ হোৱাত ঘৰখনৰ বা-বাতৰি লিখি বায়েক স্মৃতিলৈ দুখনকৈ চিঠি লিখিছিল। চিঠিৰ উত্তৰ বহু দিনলৈ নোপোৱাত তাইৰ খং উঠিছিল। চহকী ঘৰ এখনৰ, বিদ্বান ব্যক্তি এজনৰ লগত বিয়া হৈ যায় যদিও তাতো তাই সেই একেই আমনিকৰ ঘৰৰ কাম-কাজ। আনৰ আলপৈচান ধৰাতেই ব্যস্ত হৈ থাকিবলগীয়াত পৰিল। নতুন জীৱনটোও ক্ৰমে তেনেই গতানুগতিক আৰু বিৰক্তিকৰ হৈ আহে। পিতৃগৃহৰ অৱহেলিত স্মৃতি পতিগৃহতো একেই অৱহেলাৰ পাত্ৰী হয়গৈ। বিয়া কৰাই নতুন জীৱনৰ পাতনি মেলিব খোজা স্মৃতিৰ জীৱনত কোনোধৰণৰ নতুনত্বই দেখা নিদিলে। বৰঞ্চ পিতৃগৃহতকৈ আৰু অধিক কামৰ বোজা মূৰ পাতি ল'বলগা হ'ল। ভনীয়েক নীতিয়ে দিয়া চিঠিৰ উত্তৰ দিবলৈ আৰু স্মৃতিয়ে বিয়াৰদুমাহমানৰ পিছত তাইৰ অহৰহ কামৰ বৰ্ণনা দি ভনীয়েক নীতিলৈ চিঠিত লিখিলে— ঘৰখনত মানুহ-দুনুহ বেছি হোৱা কাৰণে কামৰ বোজাও বেছি। শাহুৱেকে হেনো এজনী কাম জনা ভাল ছোৱালী বিচাৰি আছিল। তাইৰ দেওৰেক দুজন, নন্দেক দুগৰাকী। ৰাতিপুৱাই গা ধুই সকলোৰে বাবে চাহ-জলপান তৈয়াৰ কৰা তাইৰ ভাগত পৰে। সকলোৰে সময়বোৰ বেলেগ বেলেগ। এজন এজনকৈ চাহৰ জা-

জঞ্জাল মাৰি তাই বিছনাবোৰ ঠিক-ঠাক কৰা,তাৰ পিছত ঠাকুৰক আঞ্জা-তৰকাৰি কাটি দিয়া আদি কামবোৰ স্মৃতিয়ে কৰে। স্কুল-কলেজৰ সময়বোৰ বেলেগ বেলেগ। সেয়ে সকলোৰে ভাত খোৱাৰ সময়বোৰো বেলেগ। সকলোকে আকৌ ভাত বাঢ়ি দিয়াও তাইৰে দায়িত্ব। ভাতৰ মাজে মাজে আকৌ চাহৰ যোগানো তাইয়ে ধৰিব লাগে। তাইৰ শহুৰেকৰ ঘৰত শাক-পাচলি, ফল-মূলৰ বাগান আছে, তাৰ পৰা শাক-পাচলি আনি কটা-বছা দায়িত্বও তাইৰ। এইবোৰ শেষ কৰিহে হেনো তাইৰ ঘৰলৈ মনত পৰে। ঘৰত সদায় বজাৰৰ কিনা শাক-পাচলিহে খায়। আজৰি সময়ত আকৌ শাহুয়েকক ধর্মমূলক কিতাপ পঢ়ি শুনাব লাগে। তাই চিঠি লিখি থকা সময়তে তাইৰ ভাগিনীয়েক ল'নীক গাখীৰ খুৱাবলৈ উঠি যাব লগাও হৈছিল। ল'নী হ'ল তাইৰ ডাঙৰ নন্দেকৰ জীয়েক। দুপৰীয়াৰ ভাতৰ পর্ব শেষ কৰি ল'নীক গা ধুওৱা, কানি-কাপোৰ ধোৱা এই কামবোৰো তাইৰে ভাগতেই। বিয়া হোৱা দুমাহ পাৰ হৈ গ'ল। তাই ওচৰ-চুবুৰীয়াৰ লগত চা-চিনাকি হ'বলৈ সময় উলিয়াব পৰা নাই। আকৌ আবেলি পৰত কাপোৰ-কানি চপাই-মেলি ঘৰ-দুৱাৰ চাফ-চিকুণ কৰে। আবেলিকৈ চাহ কাপেৰে কামৰ সামৰণি মৰাৰ পিছত আকৌ তেওঁলোকৰ ঘৰলৈ আলহী আহে নহ'লে সেই সময়খিনিত ল'নীক ফুৰাবলৈ লৈ যায়। ৰাতি আকৌ ভাত-পানী খাই আজৰি হয় মানে টোপনিয়ে হেঁচা মাৰি ধৰে। সেয়ে তাই নীতিৰ দুখনকৈ চিঠিৰ উত্তৰ দিব পৰা নাছিল। ইমানবোৰ কামৰ মাজতে শাহুৰেকে কৈ তাইক তাঁত এখনো লগাই দিছে। মাজে মাজে আকৌ ঢেঁকীত পিঠাগুৰিও খুন্দে।

ইমানবোৰ কামৰ বর্ণনা দি স্মৃতিয়ে নীতিক কৈছিলে যে, তাইৰ চিঠি ঘৰৰ আটায়ে পঢ়ে সেয়ে কোনো ঘৰুৱা কথাৰ উল্লেখ যেন চিঠিত নকৰে। শাহুৰেকে তাইক কৈছিল যে, তাই সেইখন ঘৰৰ ছোৱালী যেতিয়া তাইৰ কোনো প্রাইভেচী থাকিব নোৱাৰে। তাই কোনোদিনে অন্ত নোহোৱা কামৰ বোজা লৈ কেনেদৰে জীৱন অতিবাহিত কৰিছে সেয়ে ভনীয়েকলৈ লিখিছে— বিয়া-বাৰু বেয়া, ভালকৈ পঢ়া-শুনা কৰি, নিজৰ ভৰিত থিয় দি চাকৰি-বাকৰি কৰি খোৱাই যে ভাল সেই উপদেশো ভনীয়েকক দিছে।

যিখন ঘৰত তাই দুখ লাগিলে কান্দিবও নোৱাৰে; কেতিয়াবা ঘৰলৈ মনত পৰিলে পকাতে বাগৰি বাগৰি কান্দে।

গিৰীয়েক অনিল কাকতিয়ে নাৰীয়ে বিদ্যালাভ কৰাৰ প্রয়োজনবোধ নকৰে। সেয়ে লেখা-পঢ়া নজনা ছোৱালী বিয়া কৰালে। চিঠিখন গধু�ৰ হোৱাত তাই গিৰীয়েকক কি ক'ব সেই কথাও নীতিলৈ লিখিলে যে, তাত টেবুল ক্লথৰ নমুনা কেইটামান পঠাইছে। গিৰীয়েকৰ অতিষ্ঠ কৰা নাকৰ শব্দ অসহ্য লাগিলেও সেই শব্দ শুনা তাই অভ্যাসত পৰিণত কৰি পেলাইছিল। তাৰ কোনো প্রতিবাদ কৰা নাছিল। ৰাতি গভীৰ হোৱাত তাই চিঠি লিখা সামৰণি মাৰিলে আৰু ক'লে সিহঁতে যেন তাইলৈ সদায় চিঠি লিখে। ঘৰৰ আটাইৰে কথা তাই চিঠিত লিখিছিল। দেউতাকে তাইক বিয়াৰ দিনা কান্দোতে

কোৱা কথাষাৰ তাই চিঠিত লিখিছিল— "নেকান্দিবি আই, কিমান চহকী ঘৰত পৰিলি তই, ৰাজৰাণীৰ সুখত কাল কটাব পাৰিবি নহয়।"

শেষতনীতিলৈ হিয়াভৰা মৰম দি তাই চিঠিৰ সামৰণি মাৰিলে।নীতিয়ে মুখৰ ভিতৰতে দেউতাকৰ কথাষাৰ পঢ়িলে জোৰজোৰকৈ— "দেউতাইতো জনা নাছিল ঢেঁকী স্বৰ্গলৈ গ'লেও ধান বানিব লাগে।" স্মৃতিয়ে তাইৰ ঘৰুৱা কথাবোৰৰ বৰ্ণনা দেউতাকক দিবলৈ বাধা দিছিল। তাই ভালে থকা বুলিহে ক'বলৈ দিছিল যাতে দেউতাকে কষ্ট নাপায়। তাই নিজৰ দুখ-কষ্টৰ প্ৰতিবাদ কোনোদিনে কৰা নাছিল।

ঢেঁকীৰ সৰগ গল্পটোত আধুনিক অৰ্ধশিক্ষিতা নাৰীৰ মুক্ত ব্যক্তি-মানসৰ অসংকোচ প্ৰকাশ দেখিবলৈ পোৱা যায়। গল্পটো অতিকৈ তাৎপৰ্যপূৰ্ণ।

১১.৪.৩ গল্পটোৰ চৰিত্ৰ চিত্ৰণ

'ঢেঁকীৰ সৰগ' গল্পত চিত্ৰিত হোৱা চৰিত্ৰসমূহ হ'ল— স্মৃতি, নীতি, প্ৰীতি, বিনোদ দত্ত, অনিল কাকতি, স্মৃতিৰ শাহুৰেক, ককায়েক প্ৰণৱ আৰু ৰাজীৱ, টুনি, ল'নী, স্মৃতিৰ নন্দেক, ঠাকুৰ, স্মৃতিৰ দেওৰেক আদি। অৱশ্যে কিছুমান চৰিত্ৰৰ প্ৰসঙ্গক্ৰমে উল্লেখহে কৰিছে। গল্পটোৰ সকলো সময়তে স্মৃতিয়ে প্ৰাধান্য লাভ কৰিছে। নীতি চৰিত্ৰটোৱে গল্পৰ কাহিনীত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।এই আলোচনাত স্মৃতি, নীতি, অনিল কাকতি, বিনোদ দত্ত আৰু স্মৃতিৰেকৰ শাহুৰ চৰিত্ৰহে বিশ্লেষণ কৰা হ'ব।

- **স্মৃতিঃ** 'ঢেঁকীৰ সৰগ' গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ স্মৃতি। পঢ়া-শুনাত তাই বৰ ভাল নাছিল। মেট্ৰিক পৰীক্ষা দ্বিতীয়বাৰ তৃতীয় বিভাগত পাছ কৰিছিল যদিও আই. এ. পৰীক্ষা তিনিবাৰ দিও তাই পাছ কৰিব নোৱাৰিলে। তাৰ পাছতে পঢ়া কাৰ্যৰ সামৰণি মাৰি বিয়াৰ আগলৈকে তিনিটা বছৰ ঘৰতে কাম-বন কৰি কটাইছিল। ঘৰৰ ৰন্ধা-বঢ়াকে ধৰি ভতিজাকেইজনীকো তাইয়ে চম্ভালিব লাগিছিল। বিয়াৰ পিছত সকলো ঠিক হ'ব বুলি আশা কৰিছিল যদিও তেনে নহ'ল। আৰু অধিক কামৰ বোজা লৈ স্মৃতিয়ে গোটেই জীৱন অতিবাহিত কৰিবলগীয়াত পৰে। তথাপিও তাই কোনোদিনে প্ৰতিবাদ কৰা নাছিল। মাজে-সময়ে দেউতাকৰ কথা মনত পৰিলে তাইৰ মনটো সেমেকি উঠিছিল যদিও তাই পৰিয়ালৰ আন সদস্যৰ পৰা লুকাইহে কান্দিছিল।

  বিদ্বান স্বামীৰ পৰাও তাই ভাল ব্যৱহাৰ পোৱা নাছিল। পিতৃগৃহৰ অৱহেলিত স্মৃতি পতিগৃহতো একেই অৱহেলাৰে পাত্ৰী হয়।

  স্মৃতি চৰিত্ৰটিৰ জৰিয়তে গল্পকাৰে এগৰাকী বিশেষ পঢ়া-শুনা নথকা ঘৰুৱা কাম-কাজত ব্যস্ত থকা নাৰীৰ ৰূপ ফুটাই তুলিছে। স্মৃতি শান্ত, নিৰ্জু আৰু অঁকৰা স্বভাৱৰ ছোৱালী। তাই বিৰক্তি অনুভৱ কৰিলেও নীৰৱে সকলো কাম কৰি যায়।

  স্মৃতি চৰিত্ৰ চিত্ৰণত লেখকৰ সহানুভূতিশীলতাৰ পৰিচয় পোৱা যায়। স্মৃতিৰ জীৱনৰ কৰুণ পৰিণতিয়ে যিকোনো পাঠকৰ হৃদয়-মন শোকস্তব্ধ কৰি তুলিব

পাৰে। আমাৰ সমাজত আজিও স্মৃতিৰ দৰে ছোৱালীৰ অভাৱ নাই।

- **নীতি ঃ** 'ঢেঁকীৰ সৰগ' গল্পৰ অন্যতম প্ৰধান চৰিত্ৰ নীতি। নীতি স্মৃতিৰ সৰু ভনীয়েক। তাই পঢ়া-শুনাত আগৰণুৱা। প্ৰায় সকলো পৰীক্ষাতে প্ৰথম বিভাগত পাছ কৰি বি.এ. দিবলৈ প্ৰস্তুতি চলাইছে গল্পটোৰ আৰম্ভণিতে। স্মৃতিৰ বিয়াৰ পিছত তাই বি.এ. পৰীক্ষা দি উঠিছিল। নীতি আৰু স্মৃতিৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ। বায়েকক নীতিয়ে যথেষ্ট সন্মানো কৰিছিল।স্মৃতিৰ উচ্চ শিক্ষা নাথাকিলেও ভনীয়েকে তাইৰ পাঠ্যক্ৰমত থকা মেটাফিজিকেলৰ কবিতাৰ কথাও বায়েকৰ লগত পাতিছিল।

  স্মৃতিৰ বিয়া ঠিক হোৱাৰ দিনা তাই বায়েকৰ লগত ৰন্ধা কোঠালিতে বিয়া সম্পৰ্কে কথা পাতিছিল। বিদ্যা-বুদ্ধি নোহোৱা ছোৱালী এজনীক কিয় অনিল কাকতি নামৰ বিদ্বান পুৰুষজনে বিয়া কৰাবলৈ আহিলে তাকে স্মৃতিয়ে নীতিক সোধাত তাই এনেদৰে ক'লে— "তোৰ বিদ্যা নহ'ব পাৰে বাইদেউ, কিন্তু তইতো দেখাত বেয়া নহৰ। আমাৰ ভাবী ভিনদেৰে হয়তো লেখা-পঢ়া জনা ছোৱালীতকৈ ধুনীয়া ছোৱালীহে বিচাৰে।"

  স্মৃতিৰ বিয়াৰ পিছতো ঘৰখনৰ একমাত্ৰ নীতিয়েহে তাইলৈ দুখনকৈ চিঠি লিখিছিল। তাইৰ চিঠিৰ উত্তৰ স্বৰূপে দিয়া চিঠিখনত কামৰ হিচাপ, স্মৃতিৰ শাহুৰেক আৰু ভিনীহিয়েকৰ কাৰ্যবোৰ পঢ়ি তাইৰ দুখৰ লগতে খংমিহলি অনুভূতি এটা জাগি উঠিছিল।

  নীতিৰ মুখতেই গল্পকাৰে 'ঢেঁকীৰ সৰগ' গল্পটিৰ কেন্দ্ৰীয় ভাব ফুটাই তোলে— "দেউতাইতো আৰু সেই সময়ত ভবা নাছিল যে— ঢেঁকী স্বৰ্গলৈ গ'লেও ধান বানিব লাগে।"

- **অনিল কাকতি ঃ** অনিল কাকতি চৰিত্ৰটি এজন বিদ্বান সম্ভ্ৰান্ত ঘৰৰ লোকৰ ৰূপত ফুটি উঠিছে। তেওঁ স্মৃতিৰ স্বামী। তেওঁ গহীন স্বভাৱৰ; ঘৈণীয়েকৰ স্মৃতিৰ লগতো তেওঁ সেই গাম্ভীৰ্য বজাই চলে। বিয়াৰ দুমাহৰ পিচতো স্মৃতিৰ তেওঁৰ প্ৰতি থকা ভয় ভঙা নাছিল। তেওঁৰ দৃষ্টিত তিৰোতা ধুনীয়া হ'লেই হ'ল, বেছি পঢ়া-শুনা কৰাৰ প্ৰয়োজন নাই।

  স্মৃতিয়ে এদিন ভয়ে ভয়ে সুধিছিল— "আপুনি ইমান বিদ্বান মানুহ, বেছি লেখা-পঢ়া জনা ছোৱালী এজনী বিয়া নকৰালে কিয়?"

  তেতিয়া তেওঁ উত্তৰ দিলে—"মোৰ যথেষ্ট বিদ্যা আছে,তাৰেই আঁটিব, আনৰ বিদ্যাৰ দৰ্কাৰ নাই।"

  ইয়াৰ দ্বাৰা অনিল কাকতি চৰিত্ৰটিৰ নাৰীৰ প্ৰতি থকা ভাবধাৰা সুন্দৰকৈ প্ৰকাশ পাইছে। আমাৰ সমাজত বৰ্তমানো এনে প্ৰকৃতিৰ চৰিত্ৰ দেখিবলৈ পোৱা যায়।

- **বিনোদ দত্ত ঃ** বিনোদ দত্ত স্মৃতিৰ পিতৃ। বিশেষ ভূমিকা গল্পটোত তেওঁৰ নাই। গল্পকাৰে এই চৰিত্ৰটোক অসাংসাৰিক মনৰ বুলি উল্লেখ কৰিছে।

স্মৃতিয়ে দিনে-নিশাই গেৰাৰী খাটি কাম-বন কৰি থকা দেখিও কোনোদিনে বোৱাৰীয়েকহঁতক কৈ তেওঁ জীয়েকৰ শ্ৰম লাঘৱ কৰাৰ চেষ্টা কৰা নাছিল।

এই চৰিত্ৰটিক একেবাৰে গল্পটিৰ শেষৰফালে স্মৃতিৰ বিয়াৰ দিনা বিদায় মুহূৰ্তত লক্ষ্য কৰিব পাৰি। পিতৃগৃহৰ পৰা বিদায় ল'বলৈ ধৰা ছোৱালীজনীৰ মূৰত ধৰি তেওঁ এনেদৰে কৈছিল— "নেকান্দিবি আই, কিমান চহকী ঘৰত পৰিলি তই, ৰাজৰাণীৰ সুখত কাল কটাব পাৰিবি নহয়!"

- **স্মৃতিৰ শাহুৱেক ঃ** তেওঁক বুধিয়ক শাহুৱেকৰ ৰূপত গল্পকাৰ গৰাকীয়ে দাঙি ধৰিছে। বোৱাৰী হিচাপে যেন তেওঁ ঘৰলৈ এজনী বন কৰা ছোৱালীহে বিচাৰিছিল। গল্পকাৰ গৰাকী উল্লেখ কৰা এযাৰ উক্তিৰ জৰিয়তে এই কথাৰ প্ৰমাণ পাব পাৰি। —'চাকৰ-বাকৰৰ ওপৰত ভেজা দিয়াটো ভাল নহয় আৰু কাম কৰিলে স্বাস্থ্যও ভালে থাকে। সেই কাৰণে আয়ে বোলে ইমান দিনে পুতেকলৈ কাম-বন জনা ভাল ছোৱালী এজনী বিচাৰি আছিল।"
- **প্ৰণৱ আৰু ৰাজীৱ ঃ** স্মৃতিৰ ককায়েক প্ৰণৱ প্ৰফেছৰ আৰু ৰাজীৱ উকীল; দুয়ো ঘৈণীৰ কথাক প্ৰাধান্য দিয়া স্বামী, কিয়নো স্মৃতিৰ বিয়াৰ ক্ষেত্ৰত ঘৈণীয়েকহঁতৰ গা এৰা ভাবে সিহঁতৰো উৎসাহ কমাই তোলা দেখা যায়। তেওঁলোকে কোনোদিনে স্মৃতিৰ কষ্টৰ প্ৰতিগুৰুত্ব দিয়া দেখা নাযায়। তেওঁলোক সদায় নিজক লৈয়ে ব্যস্ত।

১১.৪.৪ গল্পটোৰ বিশেষত্ব

নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰীবাদী ভাৱধাৰাৰ পূৰ্ণতা দেখা যায়। তেওঁৰ গল্পৰ কা�ৰিকৰী কৌশলৰ বাবে গল্পৰ সৌন্দৰ্য বৃদ্ধি হয়। 'ঢেঁকীৰ সৰগ' গল্পটোৰো কাৰিকৰী দিশ লক্ষণীয়।

হোমেন বৰগোহাঞিৰ 'ঢেঁকীৰ সৰগ' গল্পটো সম্পৰ্কে উল্লেখ কৰা এযাৰ মত দাঙি ধৰা হ'ল— "প্ৰগতিশীল সমাজ চেতনা আৰু শিক্ষাৰ জৰিয়তে তিৰোতাই যি নতুন ব্যক্তিত্ব লাভ কৰিছে তাক জীৱনৰ সৰ্বক্ষেত্ৰত প্ৰতিষ্ঠিত কৰাৰ আকাংক্ষা আৰু সেই আকাংক্ষাৰ লগত প্ৰচলিত ব্যৱস্থাৰ বিৰোধৰ ছবি ফুটি উঠিছে তেওঁ 'ঢেঁকীৰ সৰগ' গল্পত।"

অসমীয়া সমাজৰ পটভূমিত ৰচিত গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ স্মৃতি। পঢ়াত পাৰদৰ্শিতা নাই যদিও তাইৰ মনত পঢ়াৰ প্ৰতি প্ৰৱল হেঁপাহ। মাক নথকা ঘৰখনৰ সময়বোৰ তাই দাদাক-বৌৰেক, ভনীয়েক-ভতিজাকহঁতৰ আলপৈচান ধৰি পাৰ কৰে। অৱশেষত তাই চহকী ঘৰ এখনলৈ বিয়া হৈ যায় যদিও তাত তাইৰ দুগুণহে কামৰ বোজা মূৰত পৰিল। ঢেঁকী যেনেকৈ সৰগলৈ গ'লেও ধান বানিবই লাগে তাইৰো একেই দশা হ'ল। এনেকৈয়ে স্মৃতিৰ জীৱনটো গতানুগতিক আৰু বিৰক্তিকৰ হৈ গ'ল।

গল্পকাৰে গল্পটোত স্মৃতি চৰিত্ৰটোৰ ওপৰত বিশেষকৈ গুৰুত্ব দি এগৰাকী

নাৰীৰ মৰ্মব্যথা প্ৰকাশ কৰিছে। আধুনিক শিক্ষিতা নাৰীৰ মানসিক দ্বন্দ্ব গল্পটোত মন কৰিবলগীয়া।

ঢেঁকী অৰ্থত স্মৃতি, স্বৰ্গলৈ গ'লেও ঢেঁকীৰে ধান বানে। ঢেঁকী ধান বনাতহে ব্যৱহাৰ কৰে। তেনেকৈ স্মৃতিৰ কামৰ নমুনা দেখি শহুৰেকৰ ঘৰৰ মানুহে বোৱাৰী ৰূপত কাম কৰা মানুহ এজনী লৈ আৰু অধিক কামত লগালে। তাইৰো জীৱন ঢেঁকী সদৃশ হোৱা গল্পটোত পৰিলক্ষিত হয়। এইদৰে বিশ্লেষণ কৰিলে 'ঢেঁকীৰ সৰগ' গল্পটোৰ নামকৰণ সাৰ্থক হৈছে। কাৰণ গল্পটোৰ নামকৰণ আৰু গল্পটোৰ কেন্দ্ৰীয় ভাবৰ মিল উল্লেখনীয়।

'ঢেঁকীৰ সৰগ' গল্পটোৰ জৰিয়তে নাৰী জীৱনৰ যি চিত্ৰৰ প্ৰতিফলন ঘটিছে সি সম্পূৰ্ণৰূপে বাস্তৱ আৰু গল্পকাৰ সমাজসচেতন চিন্তাৰ পৰিচায়ক। স্মৃতি আৰু নীতিৰ চৰিত্ৰ দুটিৰ মাজেদি এগৰাকী নাৰীবাদী লেখিকাৰ দৃষ্টিভঙ্গীৰ প্ৰকাশ ঘটিছে।

গল্পটিত চিত্ৰিত হোৱা সমাজখন আৰু ব্যক্তিসমূহ আমাৰ চিনাকি। আমাৰ সমাজত এনে বহু ঢেঁকীসদৃশ স্মৃতি বিদ্যমান। গল্পটোৰ কাহিনী, চৰিত্ৰ আদিও নাৰী জীৱনত প্ৰাসঙ্গিক। সেয়েহে 'ঢেঁকীৰ সৰগ' গল্পটোক নিৰুপমা বৰগোহাঞিৰ নাৰীবাদী চেতনাযুক্ত গল্প হিচাপে চিহ্নিত কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

২ নং প্ৰশ্ন ঃ 'ঢেঁকী স্বৰ্গলৈ গ'লেও ধান বানিব লাগে'— কথাষাৰ 'ঢেঁকীৰ সৰগ' গল্পটিৰ আধাৰত বিশ্লেষণ কৰক।

(150 টা শব্দৰ ভিতৰত)



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি নিৰুপমা বৰগোহাঞিৰ 'ঢেঁকীৰ সৰগ' গল্পটোৰ আলোচনা কৰিলোঁ। এই আলোচনাত আমি বৰগোহাঞিৰ চমু পৰিচয় আৰু তেওঁৰ ৰচনাৰাজিৰ বিষয়ে জানিব পাৰিলোঁ।
- এই গল্পটিৰ আলোচনাৰ যোগেদি তেওঁৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কেও সম্যক আভাস পালোঁ। গল্পটোৰ বিষয়বস্তু ৰচনাৰীতি-চৰিত্ৰাদিৰ সাম্যক ধাৰণা লাভ কৰাত আমাক এই আলোচনাই সহায় কৰিলে।
- বৰগোহাঞিৰ গল্পটোৰ জৰিয়তে প্ৰকৃতাৰ্থত আমাক জনাব বিচৰা কথাও এই আলোচনাৰ পৰা স্পষ্টভাৱে বুজিলোঁ। এই আলোচনাই নিৰুপমা বৰগোহাঞিৰ ভাষাৰীতিৰো সন্ধেদ দিলে।

- মুঠতে গল্পকাৰ স্বৰূপে নিৰুপমা বৰগোহাঞিক মূল্যায়ন কৰাত এই আলোচনাই যথেষ্ট পৰিমাণে সহায় কৰিব।



১১.৬ অধিক জানিবলৈ

1] গোস্বামী, ত্ৰৈলোক্যনাথ [2006] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

2] দত্ত, উদয় [1995] ঃ *চুটিগল্প*; গুৱাহাটী, ষ্টুডেণ্টছ ষ্টোৰ্ছ।

3] বৰগোহাঞি, নিৰুপমা ঃ *ঢেঁকীৰ সৰগ*; ৰামধেনুৰ শ্ৰেষ্ঠ গল্প।

4] বৰগোহাঞি, নিৰুপমা [2013] ঃ *বিশ্বাস আৰু সংশয়ৰ মাজেদি*; গুৱাহাটী ঃ আখৰ প্ৰকাশ।

5] বৰগোহাঞি, হোমেন (সম্পা.) (2004] ঃ *অসমীয়া গল্প সঙ্কলন* (1ম খণ্ড), গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

6] বৰগোহাঞি, হোমেন (2007] ঃ *চাৰিটা দশকৰ ফচল ঃ প্ৰৱন্ধ আৰু গল্প সমগ্ৰ*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

7] বৰুৱা, প্ৰহ্লাদ কুমাৰ (2005] ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

8] ভট্টাচাৰ্য্য, পৰাগ কুমাৰ (2011] ঃ *আধুনিক সাহিত্য চিন্তা আৰু সৃষ্টি*; গুৱাহাটী ঃ ইম্প্ৰিণ্ট পাব্লিকেশ্যন।

9] শইকীয়া বৰা, লীলাৱতী (সম্পা.) (2003] ঃ *অসমীয়া চুটিগল্পৰ প্ৰবাহ*; গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

10] শৰ্মা, সত্যেন্দ্ৰনাথ (2006] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



১১.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ নিৰুপমা বৰগোহাঞিৰ জীৱনৰ চমু উল্লেখ.....তেওঁৰ কৃতিসমূহৰ চমু লেখ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিৰুপমা বৰগোহাঞিৰ বিষয়ে দুআষাৰ... ...তেওঁৰ গল্পসমূহৰ প্ৰধান বৈশিষ্ট্যসমূহৰ চমু লেখ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কথাষাৰৰ চমুকৈ ভাব সম্প্ৰসাৰণৰ চমু লেখ পিছলৈ স্মৃতি চৰিত্ৰটিৰ পিতৃগৃহৰ কামৰ বৰ্ণনা... ...তাই স্বৰ্গ সদৃশ কল্পনা কৰা পতিগৃহৰ কামৰ বৰ্ণনাৰ চমু লেখ। ...পিছলৈ তাইৰ জীৱনৰ লগত ঢেঁকীৰ সামঞ্জস্যৰ চমু উল্লেখ কৰিব।



১১.৯ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ নিৰুপমা বৰগোহাঞিৰ জীৱন আৰু গল্পৰ বিষয়ে এটি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ নিৰুপমা বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ‘ঢেঁকীৰ সৰগ’ গল্পৰ কাহিনী, চৰিত্ৰৰ বিশেষত্ব কি বিচাৰ কৰক।

প্ৰশ্ন ৪ ঃ ‘ঢেঁকীৰ সৰগ’ গল্পৰ কাহিনীৰ বিশেষত্ব কি বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ ‘ঢেঁকীৰ সৰগ’ গল্পটোৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ ‘ঢেঁকীৰ সৰগ’গল্পটোৰ স্মৃতি চৰিত্ৰৰ জৰিয়তে নিৰুপমা বৰগোহাঞিৰ নাৰীবাদী ভাৱধাৰা কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ স্মৃতিৰ পতিগৃহৰ কামৰ নমুনা চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৮ ঃ স্মৃতিয়ে নীতিলৈ লিখা চিঠিখনৰ বৰ্ণনা নিজৰ ভাষাত আলোচনা কৰক।

প্ৰশ্ন ৯ ঃ ‘বেজাৰ স্বস্তি মিহলোৱা এক ধৰণৰ আনন্দৰ দীৰ্ঘশ্বাস’ —কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰক।

*** ***** ***